**এম. ডি., কৰ্ণাটক হস্ততাঁত উন্নয়ন নিগম লিমিটেড**

**বনাম**

**শ্ৰী মহাদেৱ লক্ষ্মণ ৰাৱল**

**নৱেম্বৰ ১৬, ২০০৬**

**[ন্যায়াধীশ ড° এ.আৰ. লক্ষ্মণন আৰু আল্টামাছ কবিৰ]**

*ঔদ্যোগিক বিবাদ অধিনিয়ম, ১৯৪৭ --- ধাৰা ২(অ'অ') আৰু ২৫(এফ) --- নিৰ্দ্ধাৰিত বেতনত নিৰ্দিষ্ট সময়ৰ বাবে নিযুক্তি --- নিৰ্দ্ধাৰিত সময়সীমাৰ অন্তত চাকৰিৰ অব্যাহতি --- ৰায় দিয়া হৈছিল, চাকৰিৰ পৰা বৰ্খাস্ত কৰা বুলি ক'ব নোৱাৰি--- যিহেতু নিযুক্তি কেৱল চুক্তিভিত্তিকহে আছিল।*

**আপীলকাৰী-নিগমে পৃষ্ঠপোষকতা কৰা সময় নিৰ্দ্ধাৰিত এখন আঁচনিৰ অধীনত এক নিৰ্দিষ্ট বেতনত প্ৰতিপক্ষক এজন বয়ন প্ৰশিক্ষক হিচাপে নিয়োজিত কৰা হৈছিল।**

**বৰ্তমানৰ আপীলত বিবেচনা কৰিবলগীয়া উত্থাপিত প্ৰশ্নটো হ'ল যে প্ৰতিপক্ষ ঔদ্যোগিক বিবাদ অধিনিয়ম, ১৯৪৭ ৰ অন্তৰ্গত ধাৰা ২৫ এফৰ অধীনৰ এজন শ্ৰমিক নাছিল নেকি, বৰঞ্চ নিৰ্দ্ধাৰিত সময়ৰ বাবে চুক্তিৰ ভিত্তিতহে নিয়োজিত হৈছিল নেকি আৰু সেয়েহে উক্ত নিৰ্দ্ধাৰিত সময়সীমা শেষ হোৱাৰ পৰিপ্ৰেক্ষিতত তেওঁৰ সেৱা ব্যাহত হোৱাৰ পিছত তেওঁক চাকৰিৰ পৰা বৰ্খাস্ত কৰা হৈছিল বুলি ক'ব নোৱাৰি।**

**উক্ত আপীলৰ অনুমতি প্ৰদান কৰি, ন্যায়ালয়ে**

**ৰায় প্ৰদান কৰিছিল : ১.১/ প্ৰতিপক্ষৰ নিযুক্তিৰ চৰ্তাৱলী আৰু নিয়মসমূহ ভালদৰে পঢ়িলে দেখা পোৱা যাব যে তেওঁ এজন শ্ৰমিক নহয় বৰঞ্চ সময় নিৰ্দ্ধাৰিত এখন বিশেষ আঁচনিৰ জৰিয়তে বয়ন প্ৰশিক্ষক হিচাপে এক চুক্তিভিত্তিক পদত তেওঁক নিয়োগ কৰা হৈছিল। উচ্চ ন্যায়ালয়ে লক্ষ্য কৰাত ব্যৰ্থ হৈছে যে প্ৰতিপক্ষজন**

চুক্তিৰ ভিত্তিত নিয়োজিত হৈছিল আৰু আপীলকাৰী নিগমৰ পৃষ্ঠপোষকতাত সময় সাপেক্ষ এখন হ্ৰস্বম্যাদী আঁচনি অনুসৰি কাম কৰা বয়ন সম্ভাব্য উন্নয়ন এলেকাত বয়ন দক্ষতাত পিছ পৰি থকা শিপিনী সকলক প্ৰশিক্ষণ দিবলৈ তেওঁক নিযুক্তি প্ৰদান কৰা হৈছিল। গতিকে ঔদ্যোগিক বিবাদ অধিনিয়ম, ১৯৪৭ ৰ অন্তৰ্গত ধাৰা ২৫ এফৰ বিধান অনুসৰি প্ৰতিপক্ষজন এজন শ্ৰমিক নহয় বৰঞ্চ চুক্তিৰ ভিত্তিতহে নিয়োজিত। যিহেতু প্ৰতিপক্ষজনক উক্ত আঁচনিৰ অধীনত এক নিৰ্দিষ্ট সময়ৰ বাবে প্ৰশিক্ষক হিচাপে নিয়োজিত কৰা হৈছিল আৰু তেখেতৰ নিযুক্তিৰ তাৰিখৰ পৰা প্ৰতিমাহে ১০০০/- টকাকৈ বেতন প্ৰদান কৰা হৈছিল, সেয়েহে প্ৰতিপক্ষজনৰ কৰ্ম ব্যাহত হোৱাৰ নিৰ্দিষ্ট সময়সীমা শেষ হোৱাৰ ঠিক পিছতে অধিনিয়মখনৰ ধাৰা ২(অ'অ') ক আকৃষ্ট নকৰে আৰু সেয়েহে, ঔদ্যোগিক বিবাদ অধিনিয়মৰ ধাৰা ২(অ'অ') ৰ অধীনত সংজ্ঞায়িত কৰাৰ দৰে ই এক বৰ্খাস্তকৰণ নহয়। [৬৭-চি-এফ]

১.২/ প্ৰতিপক্ষই প্ৰস্তুত কৰা নিযুক্তিৰ পত্ৰসমূহত ধাৰাবাহিকভাৱে আৰু স্পষ্টভাৱে উল্লেখ কৰা হৈছে যে নিগমৰ সৈতে প্ৰতিপক্ষৰ নিযুক্তি নিৰ্দিষ্ট সময়ৰ বাবে সম্পূৰ্ণৰূপে চুক্তিৱদ্ধ আছিল। প্ৰতিপক্ষজন কেৱল বিশ্ব কাৰ্যক্ৰম আঁচনিৰ অধীনত নিয়োজিত হৈছিল যিখনৰ বৰ্তমান কোনো অস্তিত্ব নাই। এতিয়া যিহেতু ১৯৯৪ চনৰ আগষ্ট মাহৰ ভিতৰত আঁচনিখনৰ অন্ত পৰিছিল, প্ৰতিপক্ষজনো নিগমৰ কোনো কৰ্ম নিয়মাৱলীৰ দ্বাৰা পৰিচালিত হোৱা নাছিল। ৩১/০৮/১৯৯৩ তাৰিখৰ পৰা কাৰ্যকৰী কৰি নিগমে চুক্তিখনৰ অন্ত পেলাইছিল যাক চাকৰিৰ পৰা বৰ্খাস্ত কৰা বুলি ক'ব নোৱাৰি। আনকি প্ৰতিপক্ষজনে ২৪০ দিন একেৰাহে কাম কৰিছিল বুলি ধৰি ল'লেও তেওঁ নিজৰ চাকৰি অব্যাহত ৰাখিব লাগে বুলি দাবী কৰিব নোৱাৰে, ২৪০ দিনৰ সংখ্যাটো প্ৰতিপক্ষৰ ক্ষেত্ৰত প্ৰযোজ্য নহয় কিয়নো তেখেতৰ চাকৰি সম্পূৰ্ণৰূপে চুক্তিৱদ্ধ আছিল। চুক্তিৰ সমাপ্ত হোৱাটোৱে তেওঁক চাকৰিচ্যুত কৰা নুবুজায় আৰু সেয়েহে, ই ঔদ্যোগিক বিবাদ অধিনিয়মৰ অন্তৰ্গত ধাৰা ২৫ এফৰ বিধান পালন নকৰে। [৬৮-এ-চি]

**১.৩/ প্ৰতিপক্ষজনক কেৱল চুক্তিৰ ভিত্তিতহে নিয়োজিত কৰা হৈছিল। এয়া কেৱল এক ঋতুভিত্তিক কাম আৰু, সেয়েহে, উক্ত অধিনিয়মৰ অন্তৰ্গত ধাৰা ২(অ'অ') ৰ দফা (বিবি) ত উল্লেখ কৰা কথাৰ প্ৰতি লক্ষ্য ৰাখি প্ৰতিপক্ষজনক চাকৰিচ্যুত কৰা হৈছে বুলি ক'ব নোৱাৰি। [৭২-ই]**

*এছ. এম. নিলজকাৰ আৰু অন্যান্য বনাম টেলিকম জিলা পৰিচালক, কৰ্ণাটক,* **[২০০৩] ৪ এছ চি চি ২৭,** বিশেষভাৱে উল্লেখ কৰা হৈছে।

*কিশোৰ চন্দ্ৰ সমল বনাম উৰিষ্যা ৰাজ্যিক কাজু উন্নয়ন নিগম লিমিটেড ধেনকানাল,* **[২০০৬] ১ এছ চি চি ২৫৩,** ৰ ওপৰত নিৰ্ভৰ ।

*মৰিন্দা কোপ. চুগাৰ মিলছ লিমিটেড বনাম ৰাম কিষন আৰু অন্যান্য,* **[১৯৯৫] ৫ এছ চি চি ৬৫৩;** *অনিল বাপুৰাও কানাছে বনাম কৃষ্ণ সহকাৰী শেখৰ কাৰখানা লিমিটেড আৰু অন্যান্য,* **[১৯৯৭] ১০ এছ চি ৫৯৯;** *সচিব, উৰিষ্যা ৰাজ্যিক বতালা কোপ. চুগাৰ মিলছ লিমিটেড বনাম সোৰৱণ সিং,* **[২০০৫] ৮ এছ চি চি ৪৮১** আৰু *ৰেঞ্জ বন বিষয়া বনাম এছ. টি. হাদিমানি* **[২০০২] ৩ এছ চি চি ২৫; উল্লেখ কৰা হৈছে।**

**দেৱানী আপীলৰ ক্ষেত্ৰাধিকাৰ : দেৱানী আপীল নং ৩২৫১/২০০৫ ।**

বাংগালোৰস্থিত কৰ্ণাটক উচ্চ ন্যায়ালয়ে ০৪/১২/২০০৩ তাৰিখে ডব্লিউ. এ. নং ২০১৬/২০০০ (এল-টি ই আৰ) ত প্ৰদান কৰা ৰায় আৰু আদেশৰ পৰা।

আপীলকাৰীৰ হৈ পি. বিশ্বনাথ শেটতী, বি. কে. চৌধাৰী, বিকাশ ৰজিপুৰা আৰু ই. চি. বিদ্যা সাগৰ।

প্ৰতিপক্ষৰ হৈ শ্ৰীমতী ৰজনি কে. প্ৰসাদ আৰু চি. ভি. চোব্বা ৰাও। ন্যায়ালয়ৰ ৰায় প্ৰদান কৰিছিল।

**ন্যায়াধীশ ড° এ.আৰ. লক্ষ্মণন।** কৰ্ণাটক হস্ততাঁত উন্নয়ন নিগম লিমিটেড হৈছে উক্ত আপীলৰ আপীলকাৰী। আপীলকাৰী-নিগম কৰ্ণাটক ৰাজ্য চৰকাৰে ৰাজ্যখনৰ সমবায় খণ্ডৰ বাহিৰত হস্ততাঁত উদ্যোগৰ বৃদ্ধি আৰু বিকাশৰ ক্ষেত্ৰত উন্নয়ন আৰু সহায় কৰিবলৈ স্থাপন কৰা এক ৰাজহুৱা খণ্ডৰ উদ্যোগ।

এক নিৰ্দিষ্ট সময়ৰ বাবে এক নিৰ্দ্ধাৰিত বেতনত বিভিন্ন ধৰণৰ কামত অসংগঠিত খণ্ডৰ শিপিনী সকলক প্ৰশিক্ষণ দিবলৈ প্ৰতিপক্ষক নিযুক্তি দিয়া হৈছিল। প্ৰতিপক্ষক ঠিকা ভিত্তিত প্ৰতিমাহে ৪০০/- টকাৰ নিৰ্দ্ধাৰিত বেতনত মাত্ৰ ২০০ দিনৰ বাবে এক বন্দৰস্তৰ সৈতে নিযুক্তি দিয়া হৈছিল যে ২০১ নং দিনৰ দিনা চুক্তিৰ ম্যাদ স্বয়ংক্ৰিয়ভাৱে উকলি যাব।

ৰাজ্য চৰকাৰে শিপিনী সকলক প্ৰশিক্ষণ আৰু পুনৰ সংস্থাপন দিবলৈ *"বিশ্ব"* নামেৰে এটি অনুষ্ঠানৰ প্ৰৱৰ্তন কৰিছিল। ১৯৯৩ চনৰ ফেব্ৰুৱাৰী মাহত এক *ঠিকাভিত্তিক* আঁচনিৰ অধীনত প্ৰতিপক্ষক প্ৰতিমাহে ১০০০/- টকাৰ বেতনৰ বিভিন্ন চৰ্তত ৩ মাহৰ বাবে বিশেষভাৱে নিযুক্তি দিয়া হৈছিল। নিযুক্তি পত্ৰত উল্লেখ কৰা চৰ্তাৱলী অনুসৰি তেওঁক পুনৰ ৯ মাহৰ বাবে *ঠিকাভিত্তিত* নিযুক্তি দিয়া হৈছিল। ৩১/০৮/১৯৯৪ তাৰিখে নিযুক্তিৰ চুক্তিৰ ম্যাদ উকলি যোৱাৰ পাছত, তেওঁক পুনৰ নিযুক্তি দিয়া হোৱা নাছিল। সেই কথাত ক্ষুব্ধ হৈ প্ৰতিপক্ষয়ে এক ঔদ্যোগিক বিবাদৰ উত্থাপন কৰিছিল। শ্ৰম বিভাগে *অন্যান্য বিষয়ৰ লগতে* বিবাদটো ঔদ্যোগিক বিবাদ অধিনিয়ম, ১৯৪৭ (ইয়াত পিছত "আই. ডি. অধিনিয়ম" বুলি কোৱা হ'ব) ৰ অন্তৰ্গত ধাৰা ১০(১)(চি) ৰ অধীনত উল্লেখ কৰি উক্ত প্ৰশ্নটোও বিচাৰৰ বাবে প্ৰেৰণ কৰিছিল যে (ক) বনহাট্টিৰ হস্ততাঁতৰ প্ৰকল্প প্ৰশাসকে শ্ৰমিকজনক নিয়োগ কৰিবৰ বাবে অস্বীকাৰ কৰাত যুক্তিসংগত আছিল নে নাই।

আপীলকাৰী নিগমে *অন্যান্য বিষয়ৰ লগতে* দাবী কৰিছিল যে : ১) প্ৰতিপক্ষৰ ক্ষেত্ৰত আই. ডি. অধিনিয়ম প্ৰযোজ্য নহয়, আৰু ২) প্ৰতিপক্ষ, তেওঁৰ পিতৃ আৰু তেওঁৰ পত্নীয়ে সেই সময়ত আপীলকাৰীৰ সৈতে ব্যৱসায় কৰি আছিল আৰু প্ৰতিপক্ষয়ে স্বতন্ত্ৰভাৱে বোৱা-কটাৰ ব্যৱসায় কৰিছিল আৰু ৩) প্ৰতিপক্ষজনক নিৰ্দিষ্ট সময়ৰ বাবে চুক্তিৰ ভিত্তিত নিয়োগ কৰা হৈছিল আৰু পিছত ৰাজ্য চৰকাৰে এক বিশেষ আঁচনিৰ/বিশ্ব অনুষ্ঠানৰ প্ৰৱৰ্তন কৰিছিল আৰু উক্ত আঁচনি ইতিমধ্যে বন্ধ কৰা হৈছে যিহেতু উক্ত আঁচনি চলাই নিয়াৰ বাবে তেনে কোনো মূলধন নাই।

উক্ত উল্লেখ (reference) ক শ্ৰম আদালতে আংশিকভাৱে অনুমতি প্ৰদান কৰিছিল, আৰু পুৰণি মজুৰিৰ অবিহনে পুনৰ নিযুক্তি কৰিবলৈ নিৰ্দেশ দিছিল। উক্ত নিৰ্দেশত ক্ষুব্ধ হৈ নিগমে এখন লেখ আৱেদন দাখিল কৰিছিল, যিখন একক ন্যায়াধীশে খাৰিজ কৰিছিল। আপীলকাৰী-নিগমে দাখিল কৰা লেখ আপীলো উচ্চ ন্যায়ালয়ৰ খণ্ড বিচাৰপীঠে খাৰিজ কৰিছিল। তেওঁলোকৰ লেখ আপীল খাৰিজ হোৱাৰ বাবে ক্ষুব্ধ হৈ নিগমে এই ন্যায়ালয়ত ওপৰৰ আপীলটো দাখিল কৰিছিল।

আমি আপীলকাৰী-নিগমৰ হৈ প্ৰদান কৰা বিদ্বান জ্যেষ্ঠ অধিবক্তা মিষ্টাৰ পি. বিশ্বনাথ শেটতীৰ আৰু প্ৰতিপক্ষৰ হৈ প্ৰদান কৰা বিদ্বান অধিবক্তা শ্ৰীমতী ৰজনি কে. প্ৰসাদৰ বক্তব্য শুনিলো।

বিদ্বান জ্যেষ্ঠ অধিবক্তা মিষ্টাৰ পি. বিশ্বনাথ শেটতীয়ে জনাইছিল যে উচ্চ ন্যায়ালয়ে এই কথা উপলব্ধি কৰাত ব্যৰ্থ হৈছে যে প্ৰতিপক্ষজন আপীলকাৰী-নিগমৰ কামত নিয়োজিত এজন শ্ৰমিক নাছিল আৰু অঞ্চলটোৰ আন যিকোনো স্বতন্ত্ৰ শিপিনীৰ দৰেই প্ৰতিপক্ষজনো সেই অঞ্চলৰ এজন শিপিনী আছিল আৰু উক্ত নিগমৰ পৰা কিছু অনুদান লাভ কৰিছিল যিটো হস্ততাঁত উদ্যোগৰ উন্নয়নৰ স্বাৰ্থত আছিল। ইয়াৰোপৰি পুনৰ জনোৱা হৈছিল যে শ্ৰমিকজনে নিয়োগকৰ্তাৰ অধীনত এটা কেলেণ্ডাৰ বৰ্ষত মজুৰিৰ সৈতে ২৪০ দিন একেৰাহে কাম কৰি আছিল বুলি শ্ৰম আদালতে কোনো তথ্য পোৱা নাই আৰু, সেয়েহে, শ্ৰম আদালতৰ তথ্য আৰু উচ্চ ন্যায়ালয়ে কৰা নিশ্চিতকৰণ উভয়ে অশুদ্ধ। ইয়াৰোপৰি যুক্তি দৰ্শোৱা হৈছিল যে প্ৰতিপক্ষয়ে নিগমৰ আঁচনিখনৰ লক্ষ্য আৰু উদ্দেশ্য অনুসৰি কিছু সময়ৰ বাবে প্ৰধান শিপিনী হিচাপে কাম কৰিছিল যিটো সম্পূৰ্ণৰূপে অস্থায়ী প্ৰকৃতিৰ আছিল আৰু প্ৰশিক্ষণ দি থকা সময়ৰ আগত আৰু পিছত প্ৰতিপক্ষজন এজন স্বতন্ত্ৰ তাঁতী আছিল। ইয়াৰ উপৰিও পুনৰ যুক্তি দৰ্শোৱা হৈছিল যে প্ৰতিপক্ষ বা তেওঁৰ কামৰ ওপৰত আপীলকাৰীৰ কোনো নিয়ন্ত্ৰণ নাই আৰু তেওঁলোকক কেৱল কেঁচামাল, সূতা, আদিৰ ৰূপত সহায় কৰা হয় যাতে সূতাবোৰ বস্ত্ৰলৈ ৰূপান্তৰিত কৰিব পাৰি আৰু সম্পন্ন হোৱা সামগ্ৰীসমূহ পুনৰ নিগমক বিক্ৰী কৰিব পাৰি। নিগম আৰু শিপিনীৰ মাজত কৰ্মচাৰী আৰু নিয়োগকৰ্তাৰ দৰে কোনো সম্পৰ্ক নাই আৰু আঁচনিৰ অধীনত যেতিয়া এনে হয়, তেতিয়া কাপোৰ বোৱা বিষয়ত শিপিনী সকলক প্ৰশিক্ষণ দিবলৈ নিগমে নিয়োগ কৰা প্ৰধান তাঁতীসকলক একোজনকৈ শ্ৰমিক বুলি গণ্য কৰিব নোৱাৰি।

বিদ্বান জ্যেষ্ঠ অধিবক্তাই পুনৰ দাবী কৰিব যে প্ৰতিপক্ষৰ বাবে উচ্চ ন্যায়ালয়ে সময়ে সময়ে জাৰি কৰা নিযুক্তিৰ আদেশৰ ওপৰত কৰা অনুমান যে প্ৰতিপক্ষয়ে ২৪০ দিন ধৰি কাম কৰিলে, সেয়া শুদ্ধ নহয় আৰু প্ৰতিপক্ষজনক যে বিভিন্ন সময়ৰ বাবে নিয়োজিত কৰা হৈছিল সেই কথাক তেওঁ যে ২৪০ দিন ধৰি কাম কৰিছিল সেই কথাৰ লগত সংলগ্ন কৰা অনুচিত। বিদ্বান জ্যেষ্ঠ অধিবক্তাজনে এইটোও দাবী কৰিছিল যে আই. ডি. অধিনিয়মৰ অন্তৰ্গত ধাৰা ২৫(বি) আৰু ধাৰা (এফ) ৰ উলংঘাৰ ক্ষেত্ৰত কোনো প্ৰশ্ন নাই আৰু শ্ৰমিকজনে যে ২৪০ দিন ধৰি অবিৰতভাৱে কাম কৰি আহিছিল সেই তথ্যসমূহ উক্ত তথ্য আৰু পৰিস্থিতিসমূহৰ বিপৰীত আছিল আৰু প্ৰতিপক্ষক এসপ্তাহৰ বেতন দিয়া হৈছিল আৰু আই. ডি. অধিনিয়ম অনুসৰি দিবলগীয়া নিয়মীয়া বেতন দিয়া হোৱা নাছিল আৰু তেওঁক কেৱল তেওঁৰ পৰিয়ালৰ ভৰণ-পোষণৰ বাবে নিজৰ তাঁতৰ ব্যৱসায় কৰি থকাৰ সময়তে নিজৰ নিপুণ দক্ষতাৰে আন শিপিনী সকলক সমৰ্থন কৰিবলৈ আৰু সেই দক্ষতা তেওঁলোকৰ মাজত বিলাই দিবলৈ উৎসাহিতহে কৰিছিল। তেওঁৰ যুক্তিৰ সামৰণিত বিদ্বান জ্যেষ্ঠ অধিবক্তাজনে জনাইছিল যে শ্ৰমিকজন, যি আচলতে এজন শ্ৰমিক নহয়, বৰঞ্চ যাক চুক্তিৰ ভিত্তিত তথা সময় সাপেক্ষ এখন বিশেষ আঁচনিৰ অধীনতহে বয়ন প্ৰশিক্ষক হিচাপে নিয়োগ কৰা হৈছিল আৰু যাক এতিয়ালৈকে ব্যৱস্থাপনা সমিতিৰ দ্বাৰা চাকৰিৰ পৰা বৰ্খাস্ত বা নিলম্বন কৰা হোৱা নাই, তেওঁক পুনৰ ভৰ্তি কৰাৰ ক্ষেত্ৰত উচ্চ ন্যায়ালয়ে প্ৰদান কৰা আদেশ শুদ্ধ নহয়।

*আনহাতে,* প্ৰতিপক্ষৰ হৈ বিদ্বান অধিবক্তা শ্ৰীমতী ৰজনি কে. প্ৰসাদে উত্থাপন কৰিছিল যে প্ৰতিপক্ষয়ে আপীলকাৰী-নিগমৰ সৈতে ১৯৮৭ চনৰ পৰা ১৯৯৪ চনলৈকে অৰ্থাৎ আই. ডি. অধিনিয়মৰ অন্তৰ্গত ধাৰা ২৫ বিৰ অধীনত, ভবামতে ২৪০ দিনৰো অধিক দিন ধৰি কাম কৰিছিল, সেয়েহে তেওঁক চাকৰিৰ পৰা বৰ্খাস্ত কৰাটো আই. ডি. অধিনিয়মৰ অন্তৰ্গত ধাৰা ২(অ'অ') ত দিয়া ব্যাখ্যাৰ অৰ্থ মতে পদচ্যুত কৰাৰ সমান নহয় আৰু যিহেতু আই. ডি. অধিনিয়মৰ অন্তৰ্গত ধাৰা ২৫ এফৰ অধীনৰ বিধানসমূহ পালন নকৰাকৈ তেওঁৰ চাকৰি বন্ধ কৰা হৈছিল, সেয়েহে প্ৰতিপক্ষয়ে শ্ৰম আদালতত এক বিবাদৰ সূত্ৰপাত কৰি প্ৰাৰ্থনা জনাইছিল যে তেওঁৰ চাকৰি বন্ধ কৰাৰ প্ৰক্ৰিয়া বাতিল কৰা হয় যেন আৰু সম্পূৰ্ণ পুৰণি মজুৰিৰ লগতে অন্যান্য সকলো সুবিধা লাভ কৰিবৰ বাবে তেওঁক পুনৰ নিযুক্তি দিবলৈ এক চূড়ান্ত হুকুম জাৰি কৰা হয় যেন। প্ৰতিপক্ষৰ উল্লেখক শ্ৰম আদালতে অনুমতি প্ৰদান কৰিছিল আৰু পুৰণা মজুৰিৰ অবিহনে প্ৰতিপক্ষক চাকৰিত পুনৰ নিযুক্তি দিবলৈ নিগমক নিৰ্দেশ দিছিল। শ্ৰম আদালতে প্ৰদান কৰা ৰায়টোক যেতিয়া উচ্চ ন্যায়ালয়ত প্ৰত্যাহ্বান জনোৱা হৈছিল, তেতিয়া উচ্চ ন্যায়ালয়ে লেখ আবেদনখন আৰু ব্যৱস্থাপনা সমিতিয়ে দাখিল কৰা লেখ আপীলখন এই ভিত্তিত

খাৰিজ কৰিছিল যে চাকৰি বন্ধ কৰাৰ ঠিক পূৰ্বতে এবছৰত ২৪০ দিন ধৰি প্ৰতিপক্ষয়ে কাৰ্যনিৰ্বাহ কৰিছিল, সেয়েহে, চাকৰি বন্ধ কৰাটো পদচ্যুত কৰাৰ সমান আছিল আৰু গতিকে, পুনৰ নিযুক্তিৰ নিৰ্দেশ শ্ৰম আদালতে সঠিকভাৱে দিছে।

প্ৰতিপক্ষৰ হৈ বিদ্বান অধিবক্তাই উত্থাপন কৰিছিল যে দেৱানী আপীলটোৰ কোনো গুণ নাই আৰু সেয়েহে ন্যায় আৰু নিৰপেক্ষতা বজাই ৰখাৰ খাটিৰত উক্ত আপীল খাৰিজ কৰাৰ যোগ্য।

উভয় পক্ষৰ তৰ্ক-বিতৰ্ক, শ্ৰম আদালতৰ চূড়ান্ত হুকুম, বিদ্বান একক ন্যায়াধীশৰ লগতে খণ্ড বিচাৰপীঠৰ ন্যায়াধীশ সকলে প্ৰদান কৰা ৰায়, আৰু দেৱানী আপীলত উভয় পক্ষই দাখিল কৰা অন্যান্য অনুবন্ধনসমূহ আমি ভালদৰে পাঠ কৰিলোঁহক।

প্ৰতিদ্বন্দ্বী দাখিলসমূহ বিবেচনা কৰিবলৈ যোৱাৰ আগতে, কৰ্ণাটক হস্ততাঁত উন্নয়ন নিগমে হাতত লোৱা বিতৰ্কিত প্ৰকল্পটোৰ অধীনত প্ৰতিপক্ষক ন্যস্ত কৰা কামৰ প্ৰকৃতি লক্ষ্য কৰাটো উপকাৰমূলক হ'ব।

প্ৰতিপক্ষৰ ওপৰত ন্যস্ত কৰা কামৰ প্ৰকৃতি হ'ল নিগমৰ আঁচনিৰ অধীনত সামৰি লোৱা শিপিনী সকলক কপাহী সূতা বা পলিষ্টাৰ বিক্ৰী কৰাৰ গতানুগতিক ব্যৱসায় চলাই নিয়া। সূতা ক্ৰয় কৰা উক্ত শিপিনী সকলে সূতাখিনি সম্পাদিত সামগ্ৰী অৰ্থাৎ বস্ত্ৰলৈ ৰূপান্তৰিত কৰাৰ পাছত সেইখিনি প্ৰতিপক্ষক বিক্ৰী কৰে, তেনে সম্পাদিত সামগ্ৰীৰ বিক্ৰী মূল্য প্ৰত্যেক শিপিনীৰ একাউন্টত জমা কৰা হয়। যদিহে শিপিনী সকলে নিৰ্দ্ধাৰিত সময়ৰ ভিতৰত লক্ষ্য নিৰ্ধাৰিত এটা কাম সম্পূৰ্ণ কৰিব পাৰে, তেন্তে তেনে শিপিনী সকলক উদগনিমূলক ধনো প্ৰদান কৰা হয়। উক্ত শিপিনী সকলক বেংক, কে এফ এফ চি আৰু তেনে বেংকিং বা বিত্তীয় প্ৰতিষ্ঠানসমূহেও ঋণ প্ৰদান কৰে আৰু শিপিনী সকলক প্ৰদান কৰা কেঁচামাল আৰু লগতে তাঁতশাল আৰু অন্য আনুষংগিক সামগ্ৰীসমূহ প্ৰদান কৰিবৰ বাবে উক্ত ঋণ প্ৰতিপক্ষৰ হাতত নিৰাপত্তা হিচাপে ৰখা হয়। নিগমে প্ৰদান কৰা আঁচনিৰ জৰিয়তে তাঁতশালত হাতে বোৱা বস্ত্ৰৰ বৃদ্ধি আৰু বিকাশ কৰা তথা এনে নিয়োগক প্ৰসাৰিত কৰাটোও নিগমৰ উদ্দেশ্য। সামগ্ৰী সমূহ বিক্ৰী কৰিবৰ কাৰণে নিগমে কম-বেছি পৰিমানে উক্ত শিপিনী সকলক বিক্ৰীৰ এক নিশ্চিত পদ্ধতিৰ বিষয়ে অৱগত কৰে। নিযুক্তিৰ সুযোগৰ বৃদ্ধিকৰণৰ কাৰণে আৰু অদক্ষ ব্যক্তিসকলক বোৱা-কটাৰ প্ৰশিক্ষণ দিয়াৰ নিমিত্তে

বিশ্ব অনুষ্ঠানৰ অধীনত চৰকাৰে পৃষ্ঠপোষকতা কৰা এক আঁচনিৰ জৰিয়তে নিগমে প্ৰতিপক্ষক এক দায়িত্ব অৰ্পণ কৰিছে। নতুন ব্যক্তিসকলক প্ৰশিক্ষণ দিবৰ কাৰণে প্ৰতিপক্ষয়ে বিশেষজ্ঞ শিপিনী সকলক নিয়োগ কৰি আছে। প্ৰতিপক্ষৰ এই প্ৰশিক্ষণ কাৰ্যসূচী চিৰযুগমীয়া প্ৰকৃতিৰ নহয়। যিহেতু আৰু যেতিয়া তেনে আঁচনি সমূহ সীমিত সময় (অনুমোদিত সময়সীমা) ৰ কাৰণে অনুমোদন কৰা হয়, তেতিয়া ৯ মাহৰ নিৰ্দিষ্ট সময়ৰ বাবে ১০০০/- টকাৰ বেতনত বিশেষজ্ঞ শিপিনী সকলক নিযুক্তি প্ৰদান কৰা হয়। এই মোকৰ্দমাত তেওঁৰ নিযুক্তিৰ তাৰিখৰ পৰা অৰ্থাৎ কে এইচ ডি চি/আই এইচ ডি পি/বি এন টি/এ ডি এম/৯৩-৯৪ : ১৩০১ ৰ অধীনত ৩০/১১/১৯৯৩ তাৰিখৰ পৰা ৯ মাহৰ সময়সীমা আৰম্ভ হ'ব।

এনেদৰে উপৰোক্ত আলোচনাৰ পৰা স্পষ্ট হয় যে প্ৰতিবাদী দাবীদাৰজনে জানে যে তেওঁৰ নিযুক্তি বিশুদ্ধভাৱে চুক্তিৰদ্ধ আৰু নিৰ্দিষ্ট সময়ৰ বাবে আছিল। তেওঁ এইটোও জানে যে নিগমৰ কৰ্মচাৰী হিচাপে তেওঁ অন্য কোনো সুবিধা লাভ কৰাৰ যোগ্য নহয় আৰু কোনো জাননী অবিহনে আৰু ক্ষতিপূৰণ নোপোৱাকৈয়ে চাকৰিৰ পৰা বৰ্খাস্ত হোৱাৰ বাবে দায়ী হ'ব পাৰে। দাবীদাৰজনে এইটোও জানে যে নিৰ্দিষ্ট সময়সীমা শেষ হোৱাৰ লগে লগে তেওঁৰ নিযুক্তিও সমাপ্ত হৈ গৈছিল। সেয়েহে, আমাৰ দৃষ্টিত, দাবীদাৰজনৰ গোচৰটো কোনো ঔদ্যোগিক বিবাদত পৰিণত নহয়।

আমি এতিয়া নমুনা হিচাপে ৩০/১১/১৯৯৩ তাৰিখৰ এটা নিযুক্তিৰ আদেশ পুনঃ প্ৰস্তুত কৰিম।

"কৰ্ণাটক হস্ততাঁত উন্নয়ন নিগম লিমিটেড, বাংগালোৰ ৫৬০ ০৪৬।

অবিশ্ৰান্ত হস্ততাঁত উন্নয়ন প্ৰকল্প, বনহাটিত ৫৮৭ ৩১১।

নং কে এইচ্ ডি চি: আই এইচ্ ডি পি: বি এন টি: এ ডি এম/৯৩-৯৪/১৩০১। তাৰিখ: ৩০/১১/১৯৯৩....

প্ৰতি,

মাননীয় শ্ৰী মহাদেৱ এল. ৰাৱল,

বিশেষজ্ঞ তাঁতী,

সদাশিৱ মন্দিৰৰ সমীপত, বন এলেকা,

ডাক: বনহাটিত ৫৮৭ ৩১১,

তালুক: জামখণ্ডি

জিলা: বিজাপুৰ৷

ৰাজ্য চৰকাৰৰ বিশ্ব অনুষ্ঠান কাৰ্য্যকৰী কৰাৰ দায়িত্ব নিগমক অৰ্পণ কৰা হৈছে৷ আঁচনিখনৰ অন্যতম উদেশ্য হ'ল আঁচনিৰ অধীনত সামৰি লোৱা তাঁতীসকলক বিভিন্ন ধৰণৰ কাপোৰ বোৱাৰ ক্ষেত্ৰত প্ৰশিক্ষণ দিয়া৷ এই প্ৰয়োজনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি, ব্যৱস্থাপনা সমিতিয়ে বিশেষজ্ঞ তাঁতীৰ পদৰ বাবে আপোনাৰ প্ৰাৰ্থীত্ব বিচাৰি নিম্ন লিখিত চৰ্ত আৰু নিয়ম অনুসৰি প্ৰতিমাহে ১০০০/- টকাৰ বেতনত ৯ মাহ (কেৱল ৯ মাহ) ৰ বাবে আপোনাক বিশেষজ্ঞ তাঁতী হিচাপে নিযুক্তি দি আৰু আপোনাক এছ চি পি প্ৰশিক্ষণ কেন্দ্ৰ, মূলেগানভি বিল্ডিং, আই এইচ্ ডি পি, বনহাটিত, তালুক: জামখণ্ডি, বিজাপুৰ জিলালৈ পঠাবলৈ পাই আনন্দিত হৈছোঁ৷

(১) আপোনাৰ নিযুক্তি বিশুদ্ধভাৱে চুক্তিভিত্তিক হ'ব৷

(২) আপোনাৰ চুক্তিৰ ম্যাদ আপুনি নিগমৰ কৰ্তব্যত যোগদান কৰাৰ দিনাৰ পৰা ন মাহৰ কাৰণে হ'ব৷

(৩) এই আদেশত উল্লেখ কৰা পৰিসৰৰ বাহিৰে আপুনি ডি এ, এইচ্ আৰ এ, আৰু চি চি এ ৰ দৰে সুবিধাবোৰ বা নিগমৰ নিয়মীয়া কৰ্মচাৰীসকলৰ ক্ষেত্ৰত প্ৰযোজ্য হোৱা সুবিধাবোৰ লাভ কৰাৰ যোগ্য নহ'ব৷

(৪) আপুনি নিগমৰ অন্যান্য কৰ্মচাৰীৰ ক্ষেত্ৰত প্ৰযোজ্য হোৱা কে এইচ্ ডি চি (অনুশাসন আৰু আপীল) নিয়মাৱলী, ১৯৯৯ ৰ দ্বাৰা পৰিচালিত হ'ব৷

(৫) চুক্তিৰ সময়ছোৱাত যদি আপুনি পদত্যাগ কৰিবলৈ বা নিগমৰ সেৱাসমূহ এৰি যাবলৈ মনস্থ কৰে, তেতিয়া আপুনি এক মাহৰ আগতীয়া জাননী দিবলৈ বা তেনে জাননীৰ পৰিৱৰ্তে এমাহৰ বেতন নিগমক দিবলৈ দায়বদ্ধ হ'ব।

(৬) আপোনাৰ কৰ্তব্যসমূহ সময়ে সময়ে ব্যৱস্থাপনা সমিতিয়ে আবণ্টন দিয়া ধৰণে হ'ব।

(৭) চুক্তিৰ সময়ছোৱাৰ যিকোনো সময়তে কোনো জাননী অবিহনে আৰু কোনো ক্ষতিপূৰণ নোপোৱাকৈ আৰু তাৰ কাৰণে কোনো কাৰণ নিৰ্ধাৰণ নকৰাকৈয়ে আপুনি সেৱা সমাপ্ত কৰিবলৈ দায়বদ্ধ হ'ব।

(৮) চাকৰিৰ বাবে নিগমত প্ৰতিবেদন দিয়া তাৰিখৰ পৰা ধৰি ন মাহৰ ম্যাদ উকলি যোৱাৰ দিনা আপোনাৰ নিযুক্তিৰ চুক্তি স্বয়ংক্ৰিয়ভাৱে সমাপ্ত হৈ যাব।

যদি আপুনি ওপৰত উল্লেখিত চৰ্তাৱলী আৰু নিয়মসমূহৰ সৈতে সন্মত, তেন্তে আপুনি ইয়াৰ নকল প্ৰতিলিপিত স্বাক্ষৰ কৰি আৰু নিযুক্তি গ্ৰহণ কৰিবলৈ আৰু আপোনাৰ গ্ৰহণযোগ্যতাৰ কথা জনোৱাৰ পিছত উক্ত প্ৰকল্পৰ কামৰ বাবে অবিশ্ৰান্ত হস্ততাঁত উন্নয়ন প্ৰকল্প, বনহাটিতৰ প্ৰকল্প প্ৰশাসকলৈ প্ৰতিবেদন পঠোৱা বুলি জনাই উক্ত প্ৰতিলিপি আমালৈ টোকেনত পঠাবলৈ আপোনাক অনুৰোধ জনালোঁ। ওপৰত উল্লেখিত পৰামৰ্শৰ দৰে যদি আপুনি আপোনাৰ গ্ৰহণযোগ্যতাৰ আৰু কৰ্তব্যৰ প্ৰতিবেদন আমালৈ নপঠায়, তেন্তে ধৰি লোৱা হ'ব যে নিযুক্তিৰ আদেশ গ্ৰহণ কৰিবলৈ আপুনি আগ্ৰহী নহয় আৰু আপোনাক আৰু অধিক নজনোৱাকৈ নিযুক্তিৰ আদেশ বাতিল কৰা হ'ব।

কৰ্ণাটক হস্ততাঁত

উন্নয়ন নিগম লিমিটেডৰ হৈ।

স্বাক্ষৰিত/-

প্ৰকল্প প্ৰশাসক,

অবিশ্ৰান্ত হস্ততাঁত উন্নয়ন প্ৰকল্প,

বনহাটিত - ৫৮৭ ৩১১।"

নিযুক্তিৰ চৰ্তাৱলী আৰু নিয়মসমূহ ভালদৰে পঢ়িলে পৰিলক্ষিত হ'ব যে প্ৰতিপক্ষজন শ্ৰমিক নহয় বৰঞ্চ সময় নিৰ্দ্ধাৰিত এখন বিশেষ আঁচনিৰ অধীনত বয়ন প্ৰশিক্ষক হিচাপে চুক্তিৰ ভিত্তিত নিয়োজিত এজন ব্যক্তি। অৱশ্যে খণ্ড বিচাৰপীঠৰ বিদ্বান ন্যায়াধীশ সকলে এই কথা কোৱাত ভুল কৰিছিল যে ওপৰত উল্লেখিত নিযুক্তি পত্ৰখনে সেইটো দেখুৱাব নোৱাৰে যে উক্ত নিয়োগ এক চুক্তি নাছিল যিয়ে উক্ত প্ৰকল্প বা আঁচনিৰ ম্যাদ উকলি যোৱাৰ লগে লগে ইয়াৰ অন্ত পৰিব বুলি নিৰ্দ্ধাৰণ কৰা নাছিল আৰু নিগমৰ ক্ষেত্ৰতো প্ৰতিপক্ষক এনে কোনো নিয়মৰ বিষয়ে, আনকি নিয়োগ আৰম্ভ হোৱাৰ সময়তো, অৱগত কৰোৱা নাছিল। এই কথা লক্ষ্য কৰাত উচ্চ ন্যায়ালয় ব্যৰ্থ হৈছে যে প্ৰতিবাদীজন চুক্তিৰ ভিত্তিত নিয়োজিত হৈছিল আৰু নিগমৰ পৃষ্ঠপোষকতাত সময় নিৰ্দ্ধাৰিত হ্ৰস্বম্যাদী আঁচনিৰ অধীনত কাম কৰা বয়ন সম্ভাব্য উন্নয়ন এলেকাৰ বয়ন দক্ষতাত পিছ পৰি থকা শিপিনী সকলক প্ৰশিক্ষণ দিবলৈ তেওঁক নিযুক্তি দিয়া হৈছিল। সেয়েহে, আমাৰ মতামত হ'ল যে প্ৰতিবাদীজন আই. ডি. অধিনিয়মৰ অন্তৰ্গত ধাৰা ২৫ এফৰ মতে এজন শ্ৰমিক নহয় বৰঞ্চ চুক্তিৰ ভিত্তিতহে নিয়োজিত। উচ্চ ন্যায়ালয়েও *এছ. এম. নিলজকাৰ আৰু অন্যান্য বনাম টেলিকম জিলা পৰিচালক, কৰ্ণাটক,* [২০০৩] ৪ এছ চি চি ২৭ ত প্ৰদান কৰা ৰায়, যাৰ ওপৰত নিৰ্ভৰ কৰা হৈছিল, উক্ত ৰায়ৰ সঠিকভাৱে শলাগ লোৱা নাই। যিহেতু প্ৰতিপক্ষক আঁচনিখনৰ অধীনত নিৰ্দিষ্ট সময়ৰ বাবে প্ৰশিক্ষক হিচাপে নিয়োজিত কৰা হৈছিল তেখেতৰ নিযুক্তিৰ তাৰিখৰ পৰা তেওঁক প্ৰতিমাহে ১০০০/- টকাকৈ বেতন প্ৰদান কৰা হৈছিল, সেয়েহে, প্ৰতিপক্ষৰ কামৰ সময়সীমা সমাপ্ত হোৱাৰ ঠিক পিছতে অধিনিয়মৰ অন্তৰ্গত ধাৰা ২(৩৩) ক আকৃষ্ট কৰিব পৰা নাযায় আৰু গতিকে ই আই. ডি. অধিনিয়মৰ অন্তৰ্গত ধাৰা ২(৩৩) ৰ অধীনত সংজ্ঞায়িত কৰাৰ দৰে পদচ্যুতকৰণ নহয়।

আনহাতে, বিদ্বান একক ন্যায়াধীশৰ আগত আৰু লগতে খণ্ড বিচাৰপীঠৰ আগত নিগমে তৰা গোচৰটো আছিল যে প্ৰতিপক্ষজন আপীলকাৰীয়ে নিয়োগ কৰা এজন শ্ৰমিক নাছিল আৰু তেওঁ অঞ্চলটোৰ অন্য তাঁতীৰ দৰেই সেই অঞ্চলৰ এজন তাঁতী আছিল আৰু নিগমৰ পৰা কিছু পৰিমাণে বাটতা লাভ কৰি আহিছিল।

প্ৰতিপক্ষয়ে অনুবন্ধন হিচাপে গাঁঠি দিয়া ১৪/০১/১৯৯১, ২৪/০২/১৯৯২, ১০/০২/১৯৯৩, ০৩/০৩/১৯৯৩ আৰু ৩০/১১/১৯৯৩ তাৰিখৰ সকলো নিযুক্তি পত্ৰ আমি পঢ়িলো যিবোৰে ধাৰাবাহিকভাৱে আৰু শ্ৰেণীগতভাৱে উল্লেখ কৰে যে প্ৰতিপক্ষৰ নিযুক্তি সম্পূৰ্ণৰূপে চুক্তিৰদ্ধ আছিল যি নিগমৰ সৈতে এক নিৰ্দ্দিষ্ট সময়ৰ বাবে কৰা হৈছিল। প্ৰতিপক্ষজন মাথো বিশ্ব কাৰ্য্যক্ৰমণিকা আঁচনিৰ অধীনতহে নিয়োজিত হৈছিল বৰ্তমান যিখনৰ কোনো অস্তিত্ব নাই। ১৯৯৪ চনৰ আগষ্ট মাহৰ সময়ত আঁচনিখনৰ অন্ত পৰিছিল আৰু নিগমৰ আন কোনো চাকৰিৰ নিয়মাৱলীৰ দ্বাৰাও উত্তৰদাতাজন পৰিচালিত হোৱা নাছিল। নিগমে ৩১/০৮/১৯৯৩ তাৰিখৰ পৰা কাৰ্যকৰী হোৱা চুক্তিখনৰ অন্ত পেলালে, যাক, আমাৰ মতে, কামৰ পৰা বৰ্খাস্ত কৰা বুলি ক'ব নোৱাৰি। আনকি, আমাৰ মতে, প্ৰতিপক্ষজনে ২৪০ দিন একেৰাহে কাম কৰিছিল বুলি ধৰি ল'লেও তেওঁ তেখেতৰ চাকৰি অব্যাহত ৰাখিব লাগে বুলি দাবী কৰিব নোৱাৰে কিয়নো ২৪০ দিনৰ সংখ্যাটো প্ৰতিপক্ষৰ ক্ষেত্ৰত প্ৰযোজ্য নহয় কাৰণ, তেওঁৰ চাকৰি সম্পূৰ্ণৰূপে চুক্তিৰদ্ধ আছিল। আমাৰ দৃষ্টিত, তেওঁৰ চুক্তিৰ অন্ত হোৱাটো পদচ্যুতকৰণৰ সমান নহয় আৰু সেয়েহে ই আই. ডি. অধিনিয়মৰ অন্তৰ্গত ধাৰা ২৫ এফৰ অধীনৰ বিধি পালন কৰিবলৈ একেবাৰে আকৃষ্ট নহয়।

আমাৰ মত অনুসৰি, উচ্চ ন্যায়ালয়ে গ্ৰহণ কৰা মতামত [২০০৬] ১ এছ চি চি ২৫৩ ত প্ৰতিবেদন কৰা *কিশোৰ চন্দ্ৰ সমল বনাম উৰিষ্যা ৰাজ্যিক কাজু উন্নয়ন নিগম লিমিটেড, ধেনকানাল* (অৰিজিত পাছায়ত আৰু আৰ. ভি. ৰবীন্দ্ৰন, জেজে.) শীৰ্ষক মোকৰ্দমাত এই আদালতে প্ৰদান কৰা ৰায়ৰ বিপৰীত। ওপৰত উল্লেখিত গোচৰটোও নিৰ্দিষ্ট সময়ৰ/নিৰ্দ্ধাৰিত কাৰ্যকালৰ বাবে নিয়োগ কৰা এক বিষয় আৰু শ্ৰমিকজনক ১৯৮২ চনৰ জুলাই মাহৰ পৰা ১৯৮৬ চনৰ আগষ্ট মাহলৈকে , এই সময়ছোৱাত, নিৰ্দ্ধাৰিত সময়ৰ কেইবাটাও কালত নিয়োজিত কৰা হৈছিল। প্ৰতিটো কাৰ্যকালৰ শেষত শ্ৰমিকজনক চাকৰিৰ পৰা বৰ্খাস্ত কৰা হৈছিল। শ্ৰম আদালতে ৰায় প্ৰদান কৰিছিল যে আপীলকাৰীয়ে এটা কেলেণ্ডাৰ বৰ্ষৰ অবিৰত সেৱাৰ আৱশ্যকীয় কালসমূহকে সামৰি লৈ বহু বছৰ ধৰি সেৱা আগবঢ়াই আহিছিল কিন্তু আই. ডি. অধিনিয়মৰ

অন্তৰ্গত ধাৰা ২৫ এফৰ অধীনৰ বিধি পালন কৰা হোৱা নাছিল, সেয়েহে তেওঁৰ চাকৰি বাতিল কৰাটো অবৈধ আৰু অযুক্তিকৰ। সন্ধানপ্ৰাপ্ত উক্ত তথ্যৰ ভিত্তিত, শ্ৰম আদালতে শ্ৰমিকজনক তেওঁৰ পূৰ্বৰ পদত নিযুক্তি প্ৰদান কৰিবলৈ নিৰ্দেশ দিছিল। উচ্চ ন্যায়ালয়ে প্ৰতিবাদী নিগমৰ স্থিতি মানি লৈছিল যে শ্ৰমিকজনৰ নিযুক্তি এন এম আৰৰ ভিত্তিত বেতনৰ বিভিন্ন হাৰত নিৰ্দিষ্ট সময়ৰ বাবে হৈছিল, সেয়েহে উচ্চ ন্যায়ালয়ে ৰায় প্ৰদান কৰিছিল যে শ্ৰম আদালতে প্ৰদান কৰা ৰায় বাতিল কৰা হ'ব। শ্ৰমিকজনৰ হৈ বিদ্বান অধিবক্তাই আপীলটোৰ সমৰ্থনত দাবী কৰিছিল যে নিয়মীয়াকৰণ কৰাৰ পৰা হাত সাৰিবলৈ নিৰ্দ্ধাৰণ কৰা সময়সীমাক এক ছদ্মবেশ বুলি চিনাত উচ্চ ন্যায়ালয় ব্যৰ্থ হৈছে। এই ন্যায়ালয়ৰ *এছ. এম. নিলজকাৰ আৰু অন্যান্য বনাম টেলিকম জিলা পৰিচালক* (উপৰোক্ত) শীৰ্ষক মোকৰ্দমাত গ্ৰহণ কৰা সিদ্ধান্তৰ ওপৰত নিৰ্ভৰ কৰা হৈছিল য'ত ধাৰণা কৰা হৈছিল যে সময়ৰ কোনো ইংগিত নোহোৱাকৈ কেৱল অস্থায়ীভাৱে জড়িত হৈ থকাৰ বিষয়ে উল্লেখ কৰিলেই অধিনিয়মখনৰ অন্তৰ্গত ধাৰা ২৫ এফক আকৃষ্ট কৰা হয় যদিহে উক্ত শ্ৰমিকজনে ২৪০ দিনতকৈ অধিক সময় ধৰি অবিৰতভাৱে কাম কৰা বুলি প্ৰমাণিত হয়।

এই ন্যায়ালয়ে বিভিন্ন মোকৰ্দমাত পৰীক্ষা কৰা ধাৰা ২৫ এফৰ অন্তৰ্গত ধাৰা ২ (অ'অ') (বিবি) ৰ পৰিধি আৰু পৰিসৰ আৰু নিৰ্দ্ধাৰিত নিযুক্তিৰ লগত জড়িত আইনৰ স্থিতি আৰু লগতে *মৰিন্দা কোপ. চুগাৰ মিলছ লিমিটেড বনাম ৰাম কিষন আৰু অন্যান্য,* [১৯৯৫] ৫ এছ চি চি ৬৫৩ ৰো কথা উল্লেখ কৰাৰ পিছত আৰু যিটো মতামত এই ন্যায়ালয়ৰ তিনিজনীয়া বিচাৰপীঠে [১৯৯৭] ১০ এছ ই চি ৫৯৯ ত প্ৰতিবেদন কৰা *অনিল বাপুৰাও কানাছে বনাম কৃষ্ণ সহকাৰী শেখৰ কাৰখানা লিমিটেড আৰু অন্যান্য* শীৰ্ষক মোকৰ্দমাত পুনৰাবৃত্তি কৰিছিল, সেয়া বিচাৰপীঠৰ হৈ ভাষণ ৰখা অভিজিত পাছায়ত, জেএ লক্ষ্য কৰিছিল আৰু তলত দিয়া ধৰণে দফা ৩ পুনৰ প্ৰস্তুত কৰিছিল :-

> "৩/ আপীলকাৰীৰ হৈ বিদ্বান অধিবক্তাই কয় যে ১৯৯৪ চনৰ লেখ আৰেদন নং ৪৮৮ ত প্ৰদান কৰা ২৮/০৩/১৯৯৫ তাৰিখৰ বিবাদিত আদেশৰ ওপৰত নিৰ্ভৰ কৰা উচ্চ ন্যায়ালয়ৰ ৰায় বোধকৰো প্ৰযোজ্য নহয়। যিহেতু আপীলকাৰীজনে ১৮০ দিনতকৈ অধিক সময় কাম কৰিছে, গতিকে তেওঁক চাকৰিৰ পৰা বৰ্খাস্ত কৰা কৰ্মচাৰী হিচাপে গণ্য কৰা হ'ব আৰু যদিহে ঔদ্যোগিক বিবাদ অধিনিয়ম, ১৯৪৭ ৰ অন্তৰ্গত ধাৰা ২৫ এফৰ অধীনৰ পৰিকল্পিত পদ্ধতি প্ৰয়োগ কৰা হয়, তেন্তে তেওঁৰ বৰ্খাস্তকৰণ অবৈধ। এই বিতৰ্কত কোনো জোৰ থকা আমি দেখা নাপাওঁ।

মৰিন্দা *কোপ. চুগাৰ মিলছ লিমিটেড বনাম ৰাম কিষন* শীৰ্ষক মোকৰ্দমাৰ ৩ নং দফাত এই ন্যায়ালয়ে কুঁহিয়াৰ পেৰা ঋতুগত শ্ৰমিকক কামত নিয়োজিত কৰাৰ বিষয়ে আলোচনা কৰিছে; ৪ নং দফাত কোৱা হৈছে যে ই শ্ৰমিকজনক চাকৰিৰ পৰা বৰ্খাস্ত কৰাৰ বিষয় নাছিল, বৰঞ্চ কুঁহিয়াৰ পেৰাৰ বতৰ শেষ হোৱাৰ পিছত কাৰখানাটো বন্ধ কৰাৰ বিষয় আছিল। সেই অনুসৰি, ৫ নং দফাত উল্লেখ কৰা হৈছিল যে অধিনিয়মখনৰ অন্তৰ্গত ধাৰা ২(৩৩) ৰ ব্যাখ্যা মতে ই এক "বৰ্খাস্তকৰণ" নহয়। ফলস্বৰূপে, অধিনিয়মখনৰ অন্তৰ্গত ধাৰা ২(৩৩) ৰ উপ-ধাৰা (বিবি) অনুসৰি আপীলকাৰী পদচ্যুত হোৱাৰ যোগ্য নহয়। যিহেতু বৰ্তমানৰ কামটো ঋতুভিত্তিক ব্যৱসায়, গতিকে অধিনিয়মখনৰ নীতিসমূহৰ কোনো প্ৰযোজ্যতা নাই। অৱশ্যে, এই ন্যায়ালয়ে নিৰ্দেশ দিছে যে প্ৰতিপক্ষ-ব্যৱস্থাপক মণ্ডলীয়ে এখন পঞ্জীয়নলিপি ৰখাৰ ব্যৱস্থা কৰিব লাগে আৰু যেতিয়া আগন্তুক বৰ্ষবোৰৰ ঋতু আৰম্ভ হয় তেতিয়া জ্যেষ্ঠতাৰ ক্ৰমত শ্ৰমিক সকলক নিয়োগ কৰিব লাগে। ইতিমধ্যে কাম কৰি থকা কৰ্মচাৰী সকলৰ লগতে তালিকাত নাম থকা সকলো কৰ্মচাৰীকে যেতিয়ালৈকে কামত নিয়োগ কৰা নহয়, তেতিয়ালৈকে পৰিচালনা সমিতিয়ে নতুন শ্ৰমিকক নতুনকৈ নিয়োগ কৰিব নালাগে। ওপৰত সন্নিৱিষ্ট কৰা ধৰণে উক্ত প্ৰক্ৰিয়া গ্ৰহণ কৰাটো প্ৰতিপক্ষ-ব্যৱস্থাপক মণ্ডলীৰ দায়িত্ব হ'ব।"

উচ্চ ন্যায়ালয়ৰ খণ্ড বিচাৰপীঠে উক্ত গোচৰত *এছ. এম. নিলজকাৰ* শীৰ্ষক মোকৰ্দমাত প্ৰদান কৰা সিদ্ধান্তৰ ওপৰত নিৰ্ভৰ কৰিছিল, আমাৰ মতে যিটোৰ কোনো প্ৰয়োগ নাই কাৰণ সেই মোকৰ্দমাত সময়ৰ কোনো ইংগিত দিয়া হোৱা নাছিল আৰু একমাত্ৰ সংকেত আছিল সাময়িক প্ৰকৃতিৰ নিয়োগ। আমি ইতিমধ্যে উক্ত গোচৰৰ নিযুক্তিৰ চৰ্তাৱলী আৰু নিয়মসমূহ পুনঃ প্ৰস্তুত কৰিছো, নিযুক্তিৰ সকলো আদেশত নিৰ্দিষ্ট সময়সীমা আৰু বেতনৰ পৰিমাণৰ বিষয়েও উল্লেখ কৰিছো। গতিকে, আমাৰ দৃষ্টিত, উচ্চ ন্যায়ালয়ৰ উক্ত আদেশত নিশ্চিতকৈ আসোঁৱাহ আছে।

নিগমৰ হৈ হাজিৰ হোৱা বিদ্বান জ্যেষ্ঠ অধিবক্তাই *সচিব, কৰ্ণাটক ৰাজ্য আৰু অন্যান্য বনাম উমাদেৱী (৩) আৰু অন্যান্য,* [২০০৬] ৪ এছ চি চি ১ শীৰ্ষক মোকৰ্দমাত এই ন্যায়ালয়ে (সংবিধানীয় বিচাৰপীঠ) প্ৰদান কৰা ৰায়ৰ ৪৫ আৰু ৪৭ নং

দফাদুটিৰ ওপৰত নিৰ্ভৰ কৰিছিল। বিচাৰপীঠৰ হৈ বক্তব্য ৰখা পি. কে. বালাসুব্ৰমনিয়ান, জেএ নিম্ন লিখিত ধৰণে পৰ্যবেক্ষণ কৰিছিল :-

"৪৫/ অস্থায়ী বা আকস্মিক নিযুক্তিসমূহ নিয়মীয়া বা স্থায়ী কৰিবলৈ নিৰ্দেশ দিওঁতে আদালত সমূহ উক্ত বিষয়ৰ দ্বাৰা প্ৰভাৱান্বিত হৈছিল যে উক্ত ব্যক্তিজনে কিছু সময় ধৰি আৰু কিছুমান ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ দৈৰ্ঘ্যৰ সময় জুৰি কাম কৰিছে। এই বিষয়টো এনেকুৱা নহয় যে অস্থায়ী বা আকস্মিক প্ৰকৃতিৰ এক নিযুক্তি গ্ৰহণ কৰা ব্যক্তিজনে তেওঁৰ নিয়োগৰ প্ৰকৃতিৰ বিষয়ে অৱগত নহয়। তেওঁ মুক্ত মনেৰে নিয়োগটো গ্ৰহণ কৰে। এইটো সঁচা হ'ব পাৰে যে তেওঁ ন্যায্যভাৱে আলোচনা কৰিব পৰা অৱস্থাত নাই, কিয়নো তেওঁ হয়তো জীৱন নিৰ্বাহৰ বাবে নিয়োগৰ সন্ধানত হাহাকাৰ কৰি আছিল আৰু যিকোনো প্ৰস্তাৱ লাভ কৰিবলৈ ইচ্ছুক। কিন্তু কেৱল সেই ভিত্তিতে নিযুক্তিৰ সাংবিধানিক আঁচনি বাদ দিয়াটো উপযুক্ত নহ'ব আৰু এজন ব্যক্তি যিয়ে অস্থায়ীভাৱে বা আকস্মিকভাৱে নিযুক্তি লাভ কৰিছিল তেওঁক স্থায়ীভাৱে কামত অব্যাহত ৰাখিব লাগে বুলি নিৰ্দেশ প্ৰদান কৰিব লাগে বুলি মত পোষণ কৰাটো উচিত নহ'ব। তেনে কৰিলে ৰাজহুৱা নিযুক্তিৰ আন এটা ধৰণৰ সৃষ্টি হ'ব যিটো অনুমোদনযোগ্য নহয়। যদি আদালতে পক্ষসমূহৰ দৰদামৰ সমান ক্ষমতা নাছিল বুলি ভাবি এনে প্ৰকৃতিৰ এটা চুক্তিৱদ্ধ নিয়োগ বাতিল কৰিলেহেঁতেন, তেন্তে সেইটোৱেও উক্ত কৰ্মচাৰীক যিকোনো সকাহ প্ৰদান কৰিবৰ কাৰণে আদালতক সক্ষম কৰি নুতুলিলেহেঁতেন। প্ৰশাসনৰ প্ৰয়োজনীয়তাসমূহৰ প্ৰতি লক্ষ্য ৰাখি এনে অস্থায়ী বা আকস্মিক নিয়োগৰ ওপৰত সম্পূৰ্ণ নিষেধাজ্ঞা আৰোপ কৰা সম্ভৱ নহয় আৰু যদি আৰোপ কৰা হয় তেন্তে তাৰ অৰ্থ হ'ব যে কিছুমান লোকে, যিসকলে অন্ততঃ অস্থায়ীভাৱে, ঠিকাভিত্তিক বা আকস্মিকভাৱে কৰ্মসংস্থাপন লাভ কৰে, তেওঁলোকে আনকি সেই নিয়োগো নাপাব য'ত নেকি তেনে নিয়োগৰ নিশ্চিতকৰণে তেওঁলোকৰ কাৰণে অন্ততঃ কিছু সাহায্যৰ অৱতাৰণা কৰে। মুঠৰ ওপৰত, আমাৰ এই বৃহৎ দেশৰ অগণন নাগৰিকেই কৰ্মসংস্থাপনৰ সন্ধানত আছে আৰু তেনে এক কৰ্মসংস্থাপনত নিহিত হোৱাৰ প্ৰৱণতা নাথাকিলে এজন ব্যক্তিক অস্থায়ী বা আকস্মিক কৰ্মসংস্থাপনত যোগদান কৰিবলৈ বাধ্য কৰিব নোৱাৰি। তেনে প্ৰসংগতেই কোৱা হয় যে এজন ব্যক্তিয়ে এই

ভিত্তিত আগুৱাব লাগে যে তেওঁ নিয়োগৰ প্ৰকৃতি আৰু তাৰ পৰা উদ্ভৱ হ'ব পৰা পৰিণতি সম্পূৰ্ণৰূপে জনাৰ পিছত কৰ্মসংস্থাপনটো গ্ৰহণ কৰিছিল। অন্য কথাত, আনকি গ্ৰহণ কৰাৰ সময়তেই উক্ত ব্যক্তিজনে তেওঁৰ নিয়োগৰ প্ৰকৃতিৰ বিষয়ে ভালকৈ জানিছিল। এয়া প্ৰকৃতাৰ্থত কোনো এক পদত দিয়া নিযুক্তি নহয়। তেওঁ যিটো পদত অস্থায়ীভাৱে নিযুক্তি লাভ কৰিছে সেই পদত বা সেই পদত থকা তেওঁৰ স্বাৰ্থৰ ওপৰত তেওঁ লাভ কৰা দাবীক তেনে মানৰ বুলি গণ্য কৰিব নোৱাৰি যে পদটোৰ সেৱাসমূহত উপলব্ধ পদবীসমূহত নিয়মীয়াকৈ নিযুক্তি প্ৰদান কৰিবৰ বাবে ইতিমধ্যে স্থাপিত প্ৰক্ৰিয়াবোৰ ত্যাগ কৰিব পৰা যায়। কাৰোবাক চাকৰি আৰম্ভ কৰাৰ সময়ত চাকৰিটোৰ সাময়িক স্বৰূপটো জানিলেও কিছুদিন তাত কাম কৰি থকাৰ বাবেই চাকৰিৰ পৰা বৰ্খাস্ত কৰা উচিত নহয় বুলি কোৱা যুক্তি বৈধ নহয়। এই যুক্তিয়ে ৰাজহুৱা নিয়োগৰ আইনী পদ্ধতিক অতিক্ৰম কৰিব নোৱাৰে আৰু ভাৰতীয় সংবিধানৰ ১৪ নং অনুচ্ছেদত উল্লেখ কৰা ন্যায় আৰু সম সুযোগৰ নীতিৰ বিৰুদ্ধে বিচাৰ কৰিলে বিফল হয়।

৪৭/ যেতিয়া কোনো এজন ব্যক্তিয়ে এক অস্থায়ী কৰ্মসংস্থাপনত যোগদান কৰে বা ঠিকাভিত্তিক বা আকস্মিক কৰ্মী হিচাপে জড়িত হয় আৰু নিয়োগটো নিৰ্দিষ্ট নিয়মাৱলী বা প্ৰক্ৰিয়াৰ দ্বাৰা স্বীকৃতিপ্ৰাপ্ত এক সঠিক নিৰ্বাচনৰ ওপৰত নিৰ্ভৰ নকৰে, তেতিয়া তেওঁৰ নিযুক্তি সাময়িক, আকস্মিক বা ঠিকাভিত্তিক হোৱাৰ বাবে হ'ব পৰা পৰিণতিৰ বিষয়ে জানে। তেনে এজন ব্যক্তিয়ে নিজকে উক্ত পদবীত নিশ্চিত কৰিবৰ কাৰণে বৈধ প্ৰত্যাশাৰ তত্ত্বৰ উত্থাপন কৰিব নোৱাৰে য'ত তেনে পদৰ নিযুক্তি কেৱল নিৰ্বাচনৰ এক সঠিক প্ৰক্ৰিয়া অনুসৰণ কৰিহে আৰু প্ৰয়োজন সাপেক্ষে লোকসেৱা আয়োগৰ লগত আলোচনা কৰিহে প্ৰদান কৰিব পৰা যায়। সেয়েহে, বৈধ প্ৰত্যাশাৰ তত্ত্ব অস্থায়ী, ঠিকাভিত্তিক বা আকস্মিক কৰ্মচাৰীসকলে সঠিকভাৱে আগবঢ়াব নোৱাৰে। লগতে এই কথাও প্ৰতিষ্ঠা কৰিব নোৱাৰে যে এই ব্যক্তিসকলক নিয়োগ কৰাৰ সময়ত ৰাজ্যই কোনো প্ৰতিশ্ৰুতি দিছিল যে হয়তো তেওঁলোকক য'ত আছে তাতেই ৰাখিব নাইবা তেওঁলোকক স্থায়ী কৰি তুলিব। ৰাজ্যই সাংবিধানিকভাৱে তেনে প্ৰতিশ্ৰুতি দিব

নোৱাৰে। এয়াও নিশ্চিত যে পদটোত স্থায়ী হোৱাৰ বাবে এক ইতিবাচক সকাহ পাবলৈকে উক্ত তত্ত্বৰ অৱতাৰণা কৰিব নোৱাৰি।"

*বতালা কোপ. চুগাৰ মিলছ লিমিটেড বনাম সোৱৰণ সিং,* [২০০৫] ৮ এছ চি চি ৪৮১ [ন্যায়াধীশ অৰিজিত পাছায়ত আৰু ডঃ এ.আৰ. লক্ষ্মণন, ] গোচৰৰ ওপৰতো নিৰ্ভৰ কৰা হৈছিল। এই মোকৰ্দমাত ব্যৱস্থাপকসকলে দাখিল কৰা লেখ আৱেদন খাৰিজ কৰি আৰু শ্ৰম আদালতৰ অধ্যক্ষৰ দ্বাৰা প্ৰদান কৰা হুকুম উপস্থাপন কৰি পঞ্জাৱ আৰু হাৰিয়ানা উচ্চ ন্যায়ালয়ৰ খণ্ড বিচাৰপীঠৰ দ্বাৰা প্ৰদান কৰা ৰায়ৰ বৈধতাৰ প্ৰশ্ন উত্থাপন কৰা হৈছিল। উক্ত মোকৰ্দমাত, শ্ৰমিকজনে ৰাজ্য চৰকাৰৰ আগত অভিযোগ উত্থাপন কৰিছিল যে তেওঁৰ চাকৰিবোৰ ব্যৱস্থাপকে অবৈধভাৱে বাতিল কৰি দিছিল। বিচাৰৰ বাবে ৰাজ্য চৰকাৰে আই. ডি. অধিনিয়মৰ অন্তৰ্গত ধাৰা ১০(১) ৰ অধীনত থকা বিধিৰ প্ৰসংগ উল্লেখ কৰিছিল। শ্ৰম আদালতৰ মতামত আছিল যে যদিও নিয়োগকৰ্তাৰ স্থিতি আছিল যে প্ৰতিপক্ষ শ্ৰমিকজনক নিৰ্দিষ্ট কামৰ বাবে আৰু নিৰ্দিষ্ট সময়ৰ বাবে দৈনিক মজুৰিত আকস্মিকভাৱে নিয়োগ কৰা হৈছিল, তথাপি শ্ৰমিকজনৰ স্থিতিৰ ক্ষেত্ৰত অপ্ৰত্যাশিত উত্তৰ দিয়া হৈছিল যে তেওঁক ১৯৮৬ চনৰ এপ্ৰিল মাহত নিযুক্তি প্ৰদান কৰা হৈছিল। শ্ৰম আদালতে ৰায় দিছিল যে অধিনিয়মখনৰ অন্তৰ্গত ধাৰা ২৫ এফৰ উলঙ্ঘা কৰা হৈছিল। ৫০% পুৰণা মজুৰিৰ সৈতে শ্ৰমিক জনক পুনৰ নিযুক্তি প্ৰদান কৰিবলৈ নিৰ্দেশ দিয়া হৈছিল। নিয়োগকৰ্তাই এখন লেখ আৱেদন দাখিল কৰিছিল যিখন উচ্চ ন্যায়ালয়ৰ দ্বাৰা খাৰিজ কৰা হৈছিল। উক্ত বিচাৰত কোনো আইনী বা তথ্যগত আসোঁৱাহ নাই বুলি গণ্য কৰা হৈছিল। ব্যৱস্থাপক মণ্ডলীৰ অধিবক্তাই আপীলৰ সমৰ্থনত দাবী কৰিছিল যে শ্ৰম আদালত আৰু উচ্চ ন্যায়ালয় উভয়ে তথ্যগতভাৱে আৰু আইনীভাৱে অশুদ্ধ চৰ্তত ক্ৰিয়া কৰি গুৰুতৰ ভুল কৰিছিল আৰু আপীলকাৰীৰ স্থিতি আছিল যে শ্ৰমিকজনক নিৰ্দিষ্ট কামৰ বাবে আৰু নিৰ্দিষ্ট সময়ৰ বাবে দৈনিক মজুৰিত আকস্মিকভাৱে নিয়োগ কৰা হৈছিল আৰু সেই সন্দৰ্ভত সবিশেষ তথ্য নিৰ্বিবাদে দাখিল কৰা হৈছিল। গতিকে অধিনিয়মখনৰ অন্তৰ্গত ধাৰা ২(অ'অ')(বিবি) ৰ অন্তৰ্গত বিধিসমূহ স্পষ্টভাৱে প্ৰযোজ্য হয়। তাৰোপৰি, এই কথা প্ৰমাণ কৰিবলৈ নিয়োগকৰ্তাৰ ওপৰত ভুলকৈ দায়িত্ব জাপি দিয়া হৈছিল যে চাকৰি বাতিল কৰাৰ কথিত তাৰিখৰ পূৰ্বে

শ্ৰমিকজনে ১২ টা কেলেণ্ডাৰ মাহত ২৪০ দিন ধৰি কাম কৰা নাছিল আৰু ১২/০২/১৯৯৪ তাৰিখৰ পিছত শ্ৰমিকজনে তেওঁক কোনো চাকৰিৰ প্ৰস্তাৱ দিছিল বুলি প্ৰতিষ্ঠা কৰিবলৈ অভিলেখত কোনো তথ্য ৰখা হোৱা নাছিল। *মৰিন্দা সমবায় চুগাৰ মিলছ লিমিটেড মোকৰ্দমা* (উপৰোক্ত) আৰু *অনিল বাপুৰাওৰ* মোকৰ্দমা (উপৰোক্ত) ৰ বিষয়ে উল্লেখ কৰা পিছত এই ন্যায়ালয়ে ৰায় প্ৰদান কৰিছিল যে শ্ৰম আদালতে আৰু উচ্চ ন্যায়ালয়ে শ্ৰমিকজনৰ বাবে অনুমোদন দিয়া সকাহক বৰ্তাই ৰাখিব নোৱাৰি। এই ন্যায়ালয়ে উক্ত ৰায়ো প্ৰদান কৰিছিল যে ২৪০ দিনতকৈ অধিক সময় ধৰি কাম কৰাৰ ক্ষেত্ৰত দায়িত্বৰ প্ৰশ্নটো যিমান দূৰলৈকে আহি পৰিছে, এই ন্যায়ালয়ে *ৰেঞ্জ বন বিষয়া বনাম এছ. চি. হাদিমানি* [২০০২] ৩ এছ চি চি ২৫ ত পৰ্যবেক্ষণ কৰা মতে সেই দায়িত্ব উক্ত শ্ৰমিকজনৰ ওপৰত। সেয়েহে, ব্যৱস্থাপনা সমিতিয়ে দাখিল কৰা আপীলক অনুমতি প্ৰদান কৰা হৈছিল।

পূৰ্বতে উল্লেখ কৰাৰ দৰে, প্ৰতিপক্ষজনক কেৱল চুক্তিৰ ভিত্তিতহে নিয়োজিত কৰা হৈছিল। এয়া কেৱল এক ঋতুভিত্তিক কাম আৰু সেয়েহে, অধিনিয়মখনৰ অন্তৰ্গত ধাৰা ২(অ'অ') ৰ অন্তৰ্গত দফা (বিবি) ত উল্লেখিত কথাখিনিৰ প্ৰতি লক্ষ্য ৰাখি প্ৰতিপক্ষক চাকৰিৰ পৰা বৰ্খাস্ত কৰা হৈছে বুলি ক'ব নোৱাৰি। এনে পৰিস্থিতিত, আমাৰ মতামত হ'ল যে শ্ৰম আদালতে আৰু উচ্চ ন্যায়ালয়ে গ্ৰহণ কৰা দৃষ্টিভংগী শুদ্ধ নহয় আৰু ই অবৈধ। সেই অনুসৰি উক্ত আপীলক অনুমতি প্ৰদান কৰা হয় কিন্তু তেনে পৰিস্থিতিত য'ত খৰচৰ ক্ষেত্ৰত কোনো আদেশ নাথাকিব।

বি. বি. বি. আপীলক মঞ্জুৰ কৰা হ'ল।

অনুবাদক- মিঠুপ্ৰিয়া বৰা, অধিবক্তা

পৰীক্ষক: মোবাৰক হুছেইন, জ্যেষ্ঠ অনুবাদক